# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-12-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

অসমৰ কৃষি, ৰেচম, খাদ্য প্ৰ-সংস্কৰণ, মীন পালন, জলজ কৃষিৰ লগতে কেইবাটাও খণ্ডত বিনিয়োগৰ ব্যাপক সম্ভাৱনা আছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। তেওঁ অধিক সংখ্যক পৰ্যটকক আকৰ্ষণ কৰাৰ বাবে অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ সমীপত হেলিপেড স্থাপন কৰিবলৈ পৰামৰ্শ দিয়ে। কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে নতুন দিল্লীত বিনিয়োগকাৰী শীৰ্ষ সন্মিলন-এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত ৩৭ খনতকৈ অধিক দেশৰ ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিক সাক্ষাৎ কৰাৰ পাছত তেওঁ এই মন্তব্য কৰে। শ্ৰী গোৱেলে কয়, যে বিগত ১০ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ ইতিবাচক ৰূপান্তৰ ঘটাৰ লগতে ৰে'লপথ, বিমান আৰু জলপথেৰে যোগাযোগ, ডিজিটেল প্ৰযুক্তিৰ ক্ষেত্ৰত অঞ্চলটো বিনিয়োগকাৰীসকলৰ বাবে উত্তম লক্ষ্যস্থান হিচাপে পৰিগণিত হৈছে। মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাক তেওঁৰ নেতৃত্বদানৰ ক্ষমতা আৰু কৰ্মনিষ্ঠাৰ বাবে প্ৰশংসা কৰে। কালি ৰাষ্ট্ৰদূতসকলৰ সৈতে সাক্ষাৎকালত ড° শৰ্মাই কয়, যে এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে চুবুৰীয়া দেশসমূহৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত অসম, দেশৰ এক্ট ইষ্ট নীতিৰ গুৰুত্বপূৰ্ণ অংশ। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যত বিনিয়োগৰ অপাৰ সম্ভাৱনাৰ বিষয়ে অৱগত কৰে। তেওঁ লগতে ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিসকলক এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ আৰু সীমাহীন সুযোগৰ অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়।

০০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে তিনিচুকীয়ালৈ অহা কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাহক পৰিক্ৰমা তথা সামাজিক ন্যায় আৰু সৰলীকৰণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী বনৱাৰীলাল বাৰ্মাই আজি জিলাখনত কেইবাখনো আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ পুৰা তিনিচুকীয়া অসামৰিক চিকিৎসালয়ত শাৰীৰিকভাৱে বাধাগ্ৰস্তসকলৰ বাবে স্থাপন কৰা 'মিছন থটফুল তিনিচুকীয়া' নামৰ সংস্থাৰ স্থায়ী কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। তেওঁ বৰদলৈ নগৰত জ্যেষ্ঠ নাগৰিক আবাস আৰু ন-পুখুৰীত এটা নিচামুক্তি কেন্দ্ৰ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰৰ ভালেসংখ্যক আঁচনি, হস্তশিল্প সবলীকৰণৰ লগতে কেইবাটাও বিষয় পৰ্যালোচনা কৰে। শ্ৰী বাৰ্মাৰ  সৈতে জিলাখনৰ আয়ুক্ত স্বপনীল পাল আৰু প্ৰশাসনৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০০০

শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জিলাখনত গুণোৎসৱৰ কাৰ্যসূচীৰ অংশ হিচাপে কেইবাখনো বিদ্যালয় পৰিদৰ্শন কৰে। ৬ জানুৱাৰীৰ পৰা অনুষ্ঠিত গুণোৎসৱৰ আজি তৃতীয় দিনৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি শিৱসাগৰ নগৰৰ ২ নম্বৰ টাউন প্ৰাইমেৰী বালিকা বিদ্যালয়ৰ প্ৰাতঃ সভাত মন্ত্ৰীগৰাকীয়ে ভাগ লয়। তেওঁ এই পৰিদৰ্শন কালত বিদ্যালয়খনৰ আন্তঃগাঁথনি, শৈক্ষিক পৰিৱেশ আৰু পৰিকল্পনাৰ বুজ লয়। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ শিক্ষাখণ্ডৰ অগ্ৰগতি আশানুৰূপ বুলি মন্তব্য কৰি মাতৃভাষাৰ বিদ্যালয়সমূহৰ সমস্যাসমূহ দূৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেৰ লৈছে বুলি প্ৰকাশ কৰে। তেওঁ

কয়, যে চাহ বাগিচা এলেকাত আধাতে শিক্ষা সামৰা শিক্ষাৰ্থীসকলৰ সহায়ৰ বাবে ১১৬ খন আদৰ্শ বিদ্যালয় স্থাপন কৰা হৈছে আৰু শীঘ্ৰেই আৰু ১০০ খন এনে বিদ্যালয় প্ৰতিষ্ঠা কৰা হ'ব।

০০০০০০০০

কালি পুৱা তীববতৰ টিংৰি অঞ্চলত অনুভূত ৭ দশমিক ১ প্ৰাবল্যৰ বিধবংসী ভূমিকম্পত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১২৮ লৈ বৃদ্ধি পাইছে। এভাৰেষ্ট শৃংগৰ পৰা ৭৫ কিলোমিটাৰ উত্তৰত অভিকেন্দ্ৰ থকা এই ভূমিকম্পটোত তীববত আৰু নেপালত প্ৰায় ২০০ লোক আহত হয়। চুবুৰীয়া দেশ নেপালত অৱশ্যে এই ভূমিকম্পত কোনো লোকৰ প্ৰাণহানি হোৱা নাই বুলি সেই দেশৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। চীনৰ চৰকাৰী বাতৰি সংস্থা ঝিনহুৱাৰ বাতৰি অনুসৰি অভিকেন্দ্ৰৰ পৰা ২০ কিলোমিটাৰ ব্যাসাৰ্ধত থকা তিনিখন চহৰ আৰু ২৭ খন গাঁৱত ব্যাপক ধবংসলীলাৰ সৃষ্টি হয় আৰু এহেজাৰৰো অধিক বাসগৃহ ধবংসস্তুপত পৰিণত হয়। চীনৰ চৰকাৰী টেলিভিছন চেনেল চি চি টি ভিৰ বাতৰি অনুসৰি উদ্ধাৰ অভিযানত পিপলছ্ লিবাৰেচন আৰ্মী আৰু অগ্নি নিৰ্বাপক বাহিনীৰ কেইবাহাজাৰো লোক নিয়োজিত হৈছে। ভাৰত চৰকাৰে  তীববতৰ এই ভূমিকম্পত শতাধিক লোকৰ প্ৰাণহানিত শোক প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এগৰাকী মুখপাত্ৰই কালি সামাজিক মাধ্যম এক্সত কয়, যে এই তীববতৰ এই সংহাৰী ভূমিকম্পত প্ৰাণ হেৰুওৱাসকলৰ বাবে ভাৰত চৰকাৰ দুঃখিত। ভাৰতীয় আৰু ইউৰেছিয় প্লেটৰ ঘৰ্ষণৰ ফলত সৃষ্টি হোৱা এই ভূমিকম্পই চীনে সেই দেশত য়াৰলাং ছাংপু নামে পৰিচিত ব্ৰহ্মপুত্ৰ নদৰ ওপৰত নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ কৰা পৃথিৱীৰ বৃহত্তম নদীবান্ধে সৃষ্টি কৰিবলগীয়া ভাবুকি সম্পৰ্কত বিশেষজ্ঞসকলৰ উদ্বিগ্নতা বৃদ্ধি কৰিছে।

০০০০০০০

সমাপ্ত